**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-12-2024 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines 0900 Hrs.

১। অৰুণোদয় আঁচনিৰ সুবিধা অবৈধভাৱে গ্ৰহণ কৰি থকা চৰকাৰী কৰ্মচাৰীৰ বিৰুদ্ধে শীঘ্ৰেই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত।

২। পঞ্চম আৰু অষ্টম শ্ৰেণীৰ বাৰ্ষিক পৰীক্ষাত অনুত্তীৰ্ণ শিক্ষাৰ্থীক পৰৱৰ্তী শ্ৰেণীত অধ্যয়নৰ সুযোগ দিয়াৰ নীতি কেন্দ্ৰীয় শিক্ষা মন্ত্ৰ্যালয়ৰ দ্বাৰা বাতিল।

৩। নগাঁও আৰু কাছাৰ কাগজকলৰ কৰ্মচাৰীসকলক অহা ২১ দিনৰ ভিতৰত ভৱিষ্যনিধিৰ প্ৰাপ্য ধন মোকলাই দিবলৈ ৰাষ্ট্ৰীয় কোম্পানী আইন আপীল ন্যায়াধীকৰণৰ নিৰ্দেশ।

৪। যশস্বী চলচ্চিত্ৰ পৰিচালক শ্যাম বেনেগালৰ দেহাৱসান। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে বিভিন্নজনৰ শোক প্ৰকাশ।

*আৰু*

৫। ৰাজস্থানৰ জয়পুৰত চলি থকা বিজয় হাজাৰে ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত অসমৰ ওড়িশাৰ বিৰুদ্ধে ৫ উইকেটত জয়লাভ।

oooooo

ৰাজ্য চৰকাৰে অৰুণোদয় আঁচনিৰ সুবিধা অবৈধভাৱে গ্ৰহণ কৰি থকা ৬৮২ গৰাকী চৰকাৰী কৰ্মচাৰীৰ বিৰুদ্ধে শীঘ্ৰেই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। ডিব্ৰুগড়ৰ অসম সচিবালয়ত কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। অবৈধভাৱে অৰুণোদয়ৰ সুবিধা গ্ৰহণ কৰা এই কৰ্মচাৰীসকলৰ বিৰুদ্ধে বিভাগীয় তদন্ত আৰম্ভ কৰা আৰু কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰাত মন্ত্ৰীসভাই অনুমোদন জনাইছে।

*(বাইট)*

বৈঠকত ২০২৫ বৰ্ষটো কিতাপৰ বৰ্ষ হিচাপে পালনৰ সিদ্ধান্তও গ্ৰহণ কৰা হয়। বছৰটোৰ ভিতৰত সকলো জিলাতে গ্ৰন্থমেলা অনুষ্ঠিত হ'ব আৰু গ্ৰন্থ অধ্যয়নৰ সংস্কৃতিৰ প্ৰসাৰ ঘটোৱা হ'ব। নতুন বছৰৰ উপহাৰ হিচাপে কিতাপ প্ৰদানৰ ব্যৱস্থাও কৰা হ'ব। বিভাগসমূহে চৰকাৰী কৰ্মচাৰীসকলৰ মাজত অধ্যয়নৰ অভ্যাস গঢ়ি তোলাৰ বাবে এই বছৰটোতে পুথিভঁৰাল গঢ়ি তুলিব। তদুপৰি বন গাঁওৰ গাঁওবুঢ়ালৈ ৯ হাজাৰ টকাকৈ পাৰিতোষিক প্ৰদানৰ বাবেও মন্ত্ৰীসভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই পাৰিশ্ৰমিক বনগাঁৱৰ ২৭৮ জন গাঁও প্ৰধান আৰু ৬৬৮গৰাকী বন অধিকাৰ আইনৰ গাঁৱৰ গাঁওপ্ৰধানক প্ৰদান কৰিবলৈ অনুমোদন জনোৱা হৈছে। ষষ্ঠ অনুসূচীৰ এলেকাৰ বাহিৰত এই নিয়ম প্ৰযোজ্য হ'ব। অসম দক্ষতা বিকাশ অভিযানৰ অধীনত আন্তঃৰাষ্ট্ৰীয়

দক্ষতা কেন্দ্ৰ স্থাপনৰ বাবেও কালি মন্ত্ৰীসভাই অনুমোদন জনায়। বিদেশত প্ৰাৰ্থী নিযুক্তিৰ সুবিধাৰ বাবে আনুষ্ঠানিক প্ৰণালী প্ৰয়োগ কৰিবলৈ মন্ত্ৰীসভাই এই কেন্দ্ৰ স্থাপনত অনুমোদন জনায়। এই সিদ্ধান্তসমূহ অহা ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে পঞ্চম আৰু অষ্টম শ্ৰেণীৰ বাৰ্ষিক পৰীক্ষাত অনুত্তীৰ্ণ শিক্ষাৰ্থীসকলক পৰৱৰ্তী শ্ৰেণীত অধ্যয়নৰ সুযোগ দিয়াৰ পূৰ্বৰ বিশেষ নীতি বাতিল কৰিছে। কেন্দ্ৰীয় চৰকাৰে পুৰণি ব্যৱস্থা ঘূৰাই আনি নতুন শিক্ষানীতিৰ আধাৰত এই সন্দৰ্ভত কালি এখন অধিসূচনা জাৰি কৰিছে। সেই অনুসৰি এতিয়াৰেপৰা পঞ্চম আৰু অষ্টম শ্ৰেণীৰ পৰীক্ষাত নিৰ্ধাৰিত নম্বৰ লাভ কৰিবলৈ সমৰ্থ নোহোৱা ছাত্ৰ-ছাত্ৰীক অনুত্তীৰ্ণ ঘোষণা কৰা হ'ব বুলি কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। অৱশ্যে অনুত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলে দুমাহৰ ভিতৰত পুনৰ এবাৰ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সুযোগ লাভ কৰিব বুলি শিক্ষা সচিব সঞ্জয় কুমাৰে জানিবলৈ দিছে। পৰীক্ষাত উত্তীৰ্ণ নোহোৱা শিক্ষাৰ্থীক অষ্টম শ্ৰেণীলৈকে বিদ্যালয় কৰ্তৃপক্ষই বিদ্যালয়ৰ পৰা বাহিৰ কৰিব নোৱাৰিব। উল্লেখযোগ্য যে ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ-শিকণ ক্ষমতা উন্নত কৰাৰ উদ্দেশ্যে চৰকাৰে এই নীতি সলনি কৰিছে।

০০০০০০

নগাঁও আৰু কাছাৰ কাগজকলৰ কৰ্মচাৰীসকলক অহা ২১ দিনৰ ভিতৰত ভৱিষ্যনিধিৰ প্ৰাপ্য ধন মোকলাই দিবলৈ ৰাষ্ট্ৰীয় কোম্পানী আইন আপীল ন্যায়াধীকৰণে নিৰ্দেশ দিছে। ২০১৫ চনত কাছাৰ কাগজ কল আৰু ২০১৭ চনত নগাঁও কাগজ কলৰ কামকাজ বন্ধ হৈ পৰাৰ পাছত দুয়োটা কলৰ কৰ্মচাৰীসকল ভৱিষ্যনিধিৰ ধনৰ বাবে আইনী যুঁজত অৱতীৰ্ণ হৈছিল। শেহতীয়াকৈ ন্যায়াধীকৰণে কৰ্মচাৰীসকলৰ সপক্ষে ৰায়দান কৰি চৰকাৰী প্ৰতিনিধিৰূপে থকা লিকুইডেটৰ কুলদীপ বাৰ্মাক ভৱিষ্যনিধিৰ ধন আদায় দিয়াৰ বাবে নিৰ্দেশ দিছে। কাগজ কল দুটাৰ যুটীয়া কাৰ্যকৰী সমিতিয়ে প্ৰকাশ কৰা মতে ন্যায়াধীকৰণে কৰা এই ৰায়দান কাগজ কল দুটাৰ কৰ্মচাৰীসকলৰ বাবেই নহয় সকলো প্ৰতিষ্ঠানৰ কৰ্মচাৰীৰ ক্ষেত্ৰতে প্ৰযোজ্য হ'ব। কোনো প্ৰতিষ্ঠানে কৰ্মচাৰীসকলক ভৱিষ্যনিধিৰ প্ৰাপ্য ধন আদায় নিদিলে কৰ্মচাৰীসকলে এই ৰায়ৰ আধাৰত সেই ধন আদায় কৰিব পাৰিব। উল্লেখযোগ্য যে ২০২২ চনৰ ২৮ মাৰ্চত অসম চৰকাৰে বন্ধ হৈ থকা হিন্দুস্তান পেপাৰ কৰ্পোৰেচন লিমিটেডৰ অধীনৰ কাগজ কল দুটাৰ সম্পত্তিৰ কৰ্তৃত্ব গ্ৰহণ কৰাৰ লগতে কৰ্মচাৰীসকলক তিনি মাহৰ দৰ্মহা আদায় দি আনুষ্ঠানিকভাৱে কল দুটা বন্ধ ঘোষণা কৰিছিল।

০০০০০০

যশস্বী চলচ্চিত্ৰ পৰিচালক শ্যাম বেনেগালৰ কালি সন্ধিয়া মুম্বাইৰ এখন হস্পিতালত দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি বৃক্কজনিত ৰোগত ভুগি থকা চলচ্চিত্ৰ নিৰ্মাতাগৰাকীয়ে যোৱা ১৪ ডিচেম্বৰত ৯০ বছৰ সম্পূৰ্ণ কৰিছিল। সপ্তম আৰু অষ্টম দশকত নিউ ৱেভ চিনেমাৰে হিন্দী ছবি জগতত নতুন ধাৰাৰ সৃষ্টি কৰা শ্যাম বেনেগালৰ উল্লেখযোগ্য ছবিৰ ভিতৰত অন্যতম হৈছে **অংকুৰ, মন্থন, ভূমিকা, জুনুন, কলিযুগ, ত্ৰিকাল, সুৰজ কা সাতৱা ঘোঁৰা, মাম্মো, মান্দি, চৰ্দাৰী বেগম, জুবেইদা** ইত্যাদি। শেহতীয়াকৈ তেওঁ ভাৰত আৰু বাংলাদেশৰ যৌথ উদ্যোগত **মুজিবঃ দ্যা মেকিং অৱ এ নেচন** নামৰ হিন্দী আৰু বাংলা দ্বিভাষিক ছবি নিৰ্মাণ কৰিছিল। দূৰদৰ্শনৰ হৈও তেওঁ **ভাৰত এক খোজ** আৰু **সমিধান**ৰ দৰে বহু জনপ্ৰিয় ধাৰাবাহিক নিৰ্মাণ কৰিছিল। শ্বাৱানা

আজমী, অনন্ত নাগ, স্মিতা পাটিল, নাছিৰুদ্দিন শ্বাহৰ দৰে বিশিষ্ট অভিনয় শিল্পীক চলচ্চিত্ৰ জগতত প্ৰতিষ্ঠিত কৰোৱা বেনেগালে চলচ্চিত্ৰক লৈ কৰা ন ন সম্পৰীক্ষাই তেওঁৰ ছবিসমূহ দেশ বিদেশৰ চলচ্চিত্ৰ প্ৰেমীৰ ৰসোত্তীৰ্ণ কৰিবলৈ সমৰ্থ হৈছিল। দ্যা মেকিং অব মহাত্মা আৰু দ্যা ফৰগ'টেন হিৰ'ৰ দৰে জীৱনভিত্তিক ছবিৰে তেওঁ জাতিৰ পিতা মহাত্মা গান্ধী আৰু সুভাষ চন্দ্ৰ বসুৰ অনবদ্য জীৱন যাত্ৰাকো তুলি ধৰিছিল। ১৮টা ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা আৰু এটা ফিল্ম ফেয়াৰ বঁটাৰে বিভূষিত বেনেগালে ২০০৫ চনত দাদা চাহেব ফাল্কে, ১৯৭৬ চনত পদ্মশ্ৰী আৰু ১৯৯১ চনত পদ্ম ভূষণ সন্মানেৰে সন্মানিত হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বেনেগালৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। এই উপলক্ষে দিয়া এটা শোকবাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে বেনেগালৰ চলচ্চিত্ৰ সমূহৰ কাহিনী কথন ৰীতিয়ে ভাৰতীয় চলচ্চিত্ৰত ক্ষেত্ৰত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। তেওঁৰ অৱদানসমূহ সদায় স্মৰণীয় হৈ থাকিব বুলি প্ৰধানমন্ত্ৰীয়ে মত প্ৰকাশ কৰে।

oooooo

কাছাৰ জিলাৰ সোণাইৰ আমজাদ আমীন ৰাহুল নামৰ যুৱকজনে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৰ বিজ্ঞানী হিচাপে নিযুক্তি লাভ কৰিছে। ইছৰোৰ কেন্দ্ৰীয় নিযুক্তি ব'ৰ্ডে প্ৰকাশ কৰা ১৫৩ জনীয়া বাচনি তালিকাত ৰাহুলে ১১ নম্বৰ স্থান লাভ কৰিছে। সোণাই সমষ্টিৰ নগদিৰগ্ৰাম তৃতীয় খণ্ডৰ বাসিন্দা ৰাহুলে শিলচৰৰ চৰকাৰী বিদ্যালয়ৰ পৰা দশম শ্ৰেণীৰ পৰীক্ষাত উত্তীৰ্ণ হৈ পাছলৈ শিলচৰতে অভিযান্ত্ৰিকৰ স্নাতক ডিগ্ৰী গ্ৰহণ কৰে। ইয়াৰ পাছত আই আই টি খড়গপুৰত মেকানিকেল ডিজাইনাৰৰ পাঠ্যক্ৰম গ্ৰহণ কৰে। এই সময়ছোৱাতে তেওঁ ইছৰোৰ বাচনি পৰীক্ষাত অৱতীৰ্ণ হৈ সফলতা লাভ কৰে।

oooooo

বৰদিনৰ প্ৰাকক্ষণত ৰাজ্যত খ্ৰীষ্টধৰ্মী লোকসকলৰ মাজত বৰদিনৰ আনন্দ-উল্লাস আৰম্ভ হৈছে। এই উপলক্ষে গীৰ্জাঘৰৰ লগতে নিজ নিজ বাসগৃহসমূহ ৰং-বিৰঙী ফুল, তৰা, খ্ৰীষ্টমাছ ট্ৰী আৰু আলোকসজ্জাৰে সজ্জিত কৰি তোলা হৈছে। আজি মাজনিশাৰ পৰা গীৰ্জাসমূহত বৰদিনৰ বিশেষ সমূহীয়া প্ৰাৰ্থনাৰ লগতে কেৰল পৰিৱেশন কৰা হ'ব। প্ৰভু যীশুৰ প্ৰশংসা আৰু স্তুতি গীতেৰে ইতিমধ্যে গীৰ্জাসমূহ মুখৰ হৈ পৰিছে। ৰাজ্যৰ অন্যান্য জিলাসমূহৰ লগতে শিৱসাগৰ জিলাতো বৰদিনৰ আনন্দ-উল্লাস বিৰাজ কৰিছে। এই উপলক্ষে উত্তৰ-পূব ভাৰতৰ দ্বিতীয় পুৰণি গীৰ্জা ৰূপে পৰিচিত শিৱসাগৰ ব্যাপ্টিষ্ট গীৰ্জাত কালি এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। প্ৰাক্ বৰদিনৰ কাৰ্যসূচীৰ অংশৰূপে শিৱসাগৰ নগৰ আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলত খ্ৰীষ্টধৰ্মী লোকসকলে উলিওৱা এটা সমদলে শিৱসাগৰ নগৰ পৰিভ্ৰমণ কৰে। হাতত মমবাতি লৈ কেৰল পৰিৱেশন কৰি আনন্দৰ বাৰ্তা বিনিময় কৰা এই সমদলটোৱে নগৰখনত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। প্ৰাক্ বৰদিনৰ মূল প্ৰাৰ্থনা আজি সন্ধিয়া অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত শিৱসাগৰৰ পৰা অজয় কুমাৰ বেথেলে এইদৰে কয় –

-বাইট-

oooooo

ডিব্ৰুগড় বিমান বন্দৰৰ সম্প্ৰসাৰিত ৰানৱেটো ২০২৫ বৰ্ষত কাৰ্যক্ষম হৈ উঠিব বুলি বিমান বন্দৰ কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত কালি অনুষ্ঠিত উপদেষ্টা সমিতিৰ এখন বৈঠকত কৰ্তৃপক্ষই এই কথা অৱগত কৰে। বৈঠকত বিমান বন্দৰটোৱে যাতে দেশৰ অন্য আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰবোৰৰ সৈতে ফেৰ মাৰিব পাৰে, তাৰবাবে প্ৰয়োজনীয়

সকলো আন্তঃগাঁথনিমূলক ব্যৱস্থা উন্নত কৰাৰ লগতে যাত্ৰীসকলৰ চলাচলৰ সুবিধা অধিক সূচল কৰাৰ দিশত কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে পৰামৰ্শ দিয়ে।

oooooo

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত ভিন ভিন দৈনিক বাতৰি কাকত সমূহত কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ত বিকাশৰ ১২দিনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি নিৰ্বাচিত শিক্ষাৰ্থীসকলক বিনামূলীয়া চাইকেল বিতৰণ কৰাৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰা বাতৰিটো বিস্তৃতভাৱে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰা হৈছে। *অসমীয়া খবৰ কাকতত* প্ৰকাশিত এই বাতৰিটোৰ শিৰোনাম ' ডিব্ৰুগডত একাধিক প্ৰকল্প নিৰ্মাণ পৰিদৰ্শন ,বিকাশৰ ১২দিনত ৩২ লাখ লোক উপকৃত। মুম্বাইৰ এখন চিকিতসালয়ত* ৯০বছৰ বয়সত প্ৰখ্যাত চলচ্চিত্ৰ পৰিচালক শ্যাম বেনেগালৰ বিয়োগৰ বাতৰিটোকো প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। *দৈনিক অগ্ৰদূত* কাকতে পদ্ম ভূষণ আৰু দাদা চাহেব ফাল্কে বঁটাৰে সন্মানিত হোৱা পৰিচালকগৰাকীৰ দেহাৱসানৰ বাতৰিটো '৯০বছৰীয়া জন্মদিন পালনৰ ৯দিনৰ পাছতে মাগিলে বিদায় ' উপ-শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। *দৈনিক জননভূমি* কাকতেও কিংবদন্তি চলচ্চিত্ৰ নিৰ্মাতাজনৰ বিয়োগৰ বাতৰিটোক তথ্যসমৃদ্ধভাৱে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাংলাদেশে ভাৰতৰ পৰা শ্বেখ হাছিনাক ওভতাই বিচাৰি পত্ৰ প্ৰেৰণ কৰিছে। বাংলাদেশৰ অন্তৰৰ্তীকালীন চৰকাৰৰ বৈদেশিক উপদেষ্টা তৌহিদ হুছেইনে এই কথা সদৰী কৰিছে বুলি এটা বাতৰি *আমাৰ অসম* কাকতে পৰিৱেশন কৰিছে। ডিব্ৰুগডত মুকলি কৰা মুখ্যমন্ত্ৰীৰ সচিৱালয়ত প্ৰথমখন কেবিনেট বৈঠকত যচৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ আৰু সিদ্ধান্তসমূহ বিস্তৃতভাৱে *THE ASSAM TRIBUNE* আৰু *THE SENTINAL* কাকতত প্ৰকাশ পাইছে। গুৱাহাটীৰ ছুপাৰমাৰ্কেটৰ উৰণ সেতুত দেওবাৰে নিশা বাইকচালকসহ এগৰাকী যুৱতীৰ প্ৰাণ যোৱা আৰু দূৰ্ঘটনা সংঘটিত কৰা বাহনখন বৰ্তমানলৈ চিনাক্ত নোহোৱা বাতৰিটো *অসমীয়া প্ৰতিদিন* আৰু *দৈনিক অসম* কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ৰোজগাৰ মেলা উপলক্ষে ৭৫হাজাৰতকৈ অধিক নিযুক্তি পত্ৰ প্ৰদান কৰা এটা বাতৰি *নিয়মীয়া বাৰ্তা* কাকতে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে।

oooooo

সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ আসন্ন নিৰ্বাচনৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগে পৰিষদৰ অধীনৰ ৩২ টা পৰিষদীয় সমষ্টিৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰিছে। আয়োগে সদৰি কৰা তথ্য অনুসৰি উজনি অসমৰ ৭ খন জিলাৰ ৩২ টা সমষ্টিৰ মুঠ ভোটদাতাৰ সংখ্যা ২ লাখ ৯৩ হাজাৰ ৯১৪। ইয়াৰে ১ লাখ ৪৫ হাজাৰ ৩০৭ জন পুৰুষ আৰু ১ লাখ ৪৮ হাজাৰ ৬০৬ গৰাকী মহিলা ভোটদাতা আছে।

oooooo

আজি ৰাষ্ট্ৰীয় গ্ৰাহক দিৱস। গ্ৰাহক আন্দোলনৰ গুৰুত্ব তথা প্ৰতিজন গ্ৰাহকৰ অধিকাৰ আৰু দায়িত্ব সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে প্ৰতিবছৰে আজিৰ দিনটোতে ৰাষ্ট্ৰীয় গ্ৰাহক দিৱস পালন কৰা হয়। উল্লেখযোগ্য যে আজিৰ দিনটোতে গ্ৰাহক সুৰক্ষা আইন, ১৯৮৬ প্ৰণয়ন কৰা হৈছিল। এই আইনখনৰ লক্ষ্য হৈছে গ্ৰাহকসকলক বিভিন্ন ধৰণৰ শোষণৰ বিৰুদ্ধে ফলপ্ৰসূ সুৰক্ষা প্ৰদান কৰা।

oooooo

অসমে ৰাজস্থানৰ জয়পুৰত চলি থকা বিজয় হাজাৰে ট্ৰফী ক্ৰিকেট প্ৰতিযোগীতা ৰ এখন খেলত প্ৰথমবাৰৰ বাবে বিজয় সাব্যস্ত কৰিছে। জয়পুৰৰ কে এল ছাইনি গ্ৰাউণ্ডত অনুষ্ঠিত গ্ৰুপ

'এ'ৰ মেচখনত অসমে কালি ওড়িশাক পাঁচ উইকেটত পৰাস্ত কৰে। অসমে ৫০ অভাৰত পাঁচ উইকেটৰ বিনিময়ত ২৭১ ৰান কৰি জয় সাব্যস্ত কৰে। অসমে ইনিংছৰ অন্তিমটো বলত জয়ৰ লক্ষ্যত উপনীত হবলৈ সমৰ্থ হয়। খেলখনত অসমৰ হৈ ঋষভ দাস আৰু অধিনায়ক শিৱশংকৰ ৰয়ে প্ৰথমে বেট ধৰি অৰ্ধশতক অৰ্জন কৰে। ইয়াৰ আগেয়ে অসমে টছত জিকি ওড়িশাক প্ৰথমে বেট ধৰিবলৈ দিয়ে আৰু ওডিশাই নিৰ্ধাৰিত ৫০ অভাৰত পাঁচ উইকেট হেৰুওৱাই ২৬৭ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়।

০০০০০০

**মহিলা ক্ৰিকেটত আজি আই চি চি চেম্পিয়নশ্বিপৰ তিনিখনীয়া শৃংখলাৰ দ্বিতীয়খন খেলত বদোদৰাৰ কোটাম্বি ষ্টেডিয়ামত ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলিব। খেলখন আজি দিনৰ ডেৰ বজাত আৰম্ভ হ 'ব। দেওবাৰে একেটা ষ্টেডিয়ামতে অনুষ্ঠিত প্ৰথমখন এদিনীয়াত ভাৰতে আলহী দলটোক ২১১ ৰানত পৰাস্ত কৰিছিল। ভাৰতীয় দলটোৱে টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলাত জয়লাভ কৰাৰ লক্ষ্য বান্ধি লৈছে।হৰমনপ্ৰীত কৌৰৰ অনুপস্থিতিত স্মৃতি মান্ধনাৰ নেতৃত্বত ভাৰতীয় মহিলা ক্ৰিকেটৰ দলটোৱে টি-২০ শৃংখলাত শক্তিশালী প্ৰদৰ্শন কৰিছে।**

০০০০০০

বতৰৰ বতৰা- বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অসম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত বতৰ সামগ্ৰিকভাৱে শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। অসমকে ধৰি আটাইকেইখন ৰাজ্যক ঘন কুঁৱলীয়ে আৱৰি ৰখাৰ সম্ভাৱনা থকাৰ পৰিপ্ৰেক্ষিতত বতৰ বিজ্ঞান কেন্দ্ৰই সতৰ্কতা জাৰি কৰিছে। আজি গুৱাহাটী আৰু ইয়াৰ কাষৰীয়া অঞ্চলৰ তাপমাত্ৰা সৰ্বোচ্চ ২৫ দশমিক ৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১১ দশমিক ৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে।

০০০০০০

**সমাপ্ত**